৩ পৃষ্ঠাত ৪ পৃষ্ঠাত ১০ পৃষ্ঠাত


# অসম আদিত্য

৯ চ'ত, ১৯৪৭ শক ■ মঙলবাৰ, ২৪ মাৰ্চ, ২০২৬ ■ Asom Aditya, Dibrugarh, Tuesday, March 24, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহা


### ড° শশীকান্ত শইকীয়াক সমাজহিতৈষী নৰেশ্বৰ মাহাত্ব সোঁৱৰণী সমাজসেৱা বঁটা প্ৰদান

# সংস্কৃতি সাগৰৰ দৰে, যিয়ে নদী বোৱাই নিয়ে

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২৩ মাৰ্চ ঃ** কোনো এটা জাতিৰ, জনগোষ্ঠীৰ সংস্কৃতি সাগৰৰ দৰে, যিয়ে নদীৰ ৰূপত চিৰদিন বোৱাই নিয়ে। নিজৰ ভাষা, সংস্কৃতি, ৰীতি-নীতি, পৰম্পৰাক অৱজ্ঞা, অৱহেলা কৰা জাতি পৃথিৱীত বেছিদিন জীয়াই নাথাকে। অসম কুৰ্মি সমাজৰ ২২ মাৰ্চত অনুষ্ঠিত প্ৰথম বাৰ্ষিক সাংস্কৃতিক সমাৰোহৰ মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ, অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক, বিশিষ্ট সাহিত্যিক, স্তম্ভ লেখক ড০ শশীকান্ত শইকীয়াই এইদৰে কয়। ডিব্ৰুগড় জিলাৰ টেঙাখাট সমীপৰ নতুন বছা পথাৰ বিহুতলী প্ৰাংগণত অনুষ্ঠিত সাংস্কৃতিক সমাৰোহত তেওঁ কয়— পৃথিৱীত বহুকেইটা শক্তিশালী জনগোষ্ঠী যেনে-পিক্ট, হুন, ম'য়াবহিট, কাৰ্থে জিনিয়াম, ভিজিপথ, কাইটান, গল, ফিনিচিয়, হিটাইট, প্ৰোছিয়ান জনগোষ্ঠীৰ দৰে শক্তিশালী জনগোষ্ঠী পৃথিৱীৰ পৰা নোহোৱা হৈ গ'ল। এই জাতিসমূহ, জনগোষ্ঠীসমূহ নোহোৱা হৈ যোৱাৰ অন্যতম এটা কাৰণ আছিল তেওঁলোকে নিজৰ ভাষা-সংস্কৃতিক অৱহেলা কৰিবলৈ ধৰে আৰু আনৰ ভাষা-সংস্কৃতি আনন্দৰে গ্ৰহণ কৰিছিল। যি জাতিয়ে নিজৰ ভাষা-সংস্কৃতিক, পৰম্পৰাক পাহৰি যায়, সেই জাতি এটা মৃতপ্ৰায় জাতি বুলি কোৱা হয়। তেওঁ কয় যে শিপাহীন জাতি আত্মা নোহোৱা শৰীৰৰ দৰে। সংস্কৃতিয়ে প্ৰতিটো জাতিক শিপাৰ দৰে শক্তিশালী কৰি তোলে আৰু জাতি এটাক প্ৰাণ দিয়াই নহয়, পৰিচয় আৰু সুৰক্ষা দিয়াতো সহায় কৰে। ডিব্ৰুগড় জিলা কুৰ্মি সমাজৰ সভাপতি হৰিৎ কুৰ্মিৰ পৌৰহিত্যত অনুষ্ঠিত মুকলি সভাত এনে সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত কৰাৰ বাবে ডিব্ৰুগড় জিলা কুৰ্মি সমাজক ভূয়সী প্ৰশংসা কৰি তেওঁ কয়— এটা জাতিৰ ঐতিহ্য সংৰক্ষণ, একতাৰ ভাতৃত্ববোধ, প্ৰতিভা বিকাশ, মনোৰঞ্জন বা মানসিক উৎকৰ্ষ সাধন নতুবা পৰ্যটন উদ্যোগৰ বিকাশৰ বাবেও প্ৰয়োজন। তেওঁ সমাৰোহত উপস্থিত থকা নতুন প্ৰজন্মক উদ্দেশ্য কৰি কয়— নতুন প্ৰজন্মই নিজৰ শিপা পাহৰিলে নহ'ব। সংস্কৃতিৰ ভিন্ন মাধ্যম হস্ত শিল্প, মনস্তাত্বিক সংকত অৱসানৰ বাবেও এনে সংস্কৃতিৰ স'তে সংপৃক্ত হ'ব লাগিব। নতুন প্ৰজন্মই নিজৰ জনগোষ্ঠীয় সংস্কৃতি লালন-পালন কৰিলে গংগা, ব্ৰহ্মপুত্ৰ, গোদাবৰী বৈ থকাৰ দৰে সেই জনগোষ্ঠীৰ সংস্কৃতিও বৈ থাকিব বুলি কয়। তেওঁ কয় যে কুৰ্মি সমাজৰ ঝুমইৰ, কৰম, তুছু গীত কেৱল মনোৰঞ্জনৰ বাবে নহয়, এইবোৰ হৈছে জনগোষ্ঠীটোৰ একো একোডাল ঘাই শিপা। এই সম্পদসমূহে ইতিহাসক বৰ্তমানৰ স'তে বান্ধি ৰাখিছে বুলি তেওঁ কয়। তেওঁ কয় যে কৰম উৎসৱ



শস্যৰ যত্ন ল'বলৈ কৰা এক উৎসৱ। এনে উৎসৱে প্ৰকৃতিৰ প্ৰতি কৃতজ্ঞ হ'বলৈ শিকায়। প্ৰাচীন কালৰ পৰা প্ৰচলিত হৈ অহা কুৰ্মি সমাজৰ এই উৎসৱ এতিয়া সমগ্ৰ পৃথিৱীৰ মানুহৰ প্ৰকৃতি সংৰক্ষণৰ আন্দোলনৰ স'তে মিলি গৈছে। এই সভাতে অধ্যক্ষ ড০ শশীকান্ত শইকীয়া আৰু বিশিষ্ট সমাজকৰ্মী জ্যোতিপ্ৰসাদ কানৈক 'সমাজহিতৈষী নৰেশ্বৰ মাহাত্ব সোঁৱৰণী সমাজসেৱা বঁটা-২০২৬' প্ৰদান কৰে নৱ নিৰ্বাচিত ৰাজ্য সভাৰ সাংসদ তেৰছ গোৱালা আৰু চণ্ডীশগড় ৰাজ্যৰ কুৰ্মি সমাজৰ সভাপতি তথা সাংসদ বিজয় বাঘেলে। অনুষ্ঠানতে সাংবাদিক সুৰজ দত্তক 'দেৱকী কুৰ্মি (দৱ) স্মাৰক বঁটা' প্ৰদান কৰা হয়। বঁটা প্ৰদানত সহযোগিতা আগবঢ়ায় ডিব্ৰুগড় জিলা কুৰ্মি সমাজৰ সভাপতি হৰিৎ কুৰ্মি, সম্পাদক জগত কুৰ্মি আৰু উদযাপন সমিতিৰ সভাপতি গণেশ কুৰ্মি, সম্পাদক ললিত কুৰ্মিৰ লগতে ডিব্ৰুগড় জিলা কুৰ্মি মহিলা পৰিষদৰ সভানেত্ৰী নোমলী কুৰ্মি আৰু সম্পাদিকা মনোমতী কুৰ্মিয়ে। অনুষ্ঠানত ডিব্ৰুগড় জিলা কুৰ্মি যুৱ ছাত্ৰ পৰিষদৰ ভাৰপ্ৰাপ্ত সভাপতি সঞ্জয় কুৰ্মি আৰু সম্পাদক ভূৱন কুৰ্মিও উপস্থিত থাকে। অনুষ্ঠানত সাংস্কৃতিক সমাৰোহ উপলক্ষ্যে প্ৰকাশিত স্মৃতিগ্ৰন্থ 'বানগাড়ী' উন্মোচন কৰে জনপ্ৰিয় সমাজকৰ্মী জ্যোতি প্ৰসাদ কানৈয়ে। উল্লেখ্য যে, আন কেইবাজনো বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা প্ৰথম বাৰ্ষিক সাংস্কৃতিক সমাৰোহ কাৰ্যসূচীত বিভিন্ন প্ৰতিযোগিতা আৰু সাংস্কৃতিক কাৰ্যসূচীও অনুষ্ঠিত হয়।